
সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

অৰ্থনীতি আৰু ৰাজনীতি খণ্ডৰ আগকথা

পাঠ - ২৩

নিৰ্বাচন আৰু নিৰ্বাচনী প্ৰক্ৰিয়া

অংশ – ৩
দৰ্শনা তালুকদাৰ

অনুশীলনী

১। চমু উত্তৰ লিখা —

(ক) বিধানসভাৰ সদস্যসকলক কোনে নির্বাচিত কৰে?

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ বিধানসভাৰ সদস্যসকলক একোটা বিধানসভা সমষ্টিৰ ভোটাৰসকলে নিৰ্বাচন কৰে।



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

(খ) শাসক দল মানে কি?



উত্তৰঃ নিৰ্বাচনত যিটো দলে সংখ্যাগৰিষ্ঠতা লাভ কৰে সেই দলে চৰকাৰ গঠন কৰে। এনে দলকে শাসক দল বোলা হয়।



(গ) দেশত মধ্যকালীন নির্বাচন কেতিয়া হয়?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ চৰকাৰৰ কার্যকাল সম্পূর্ণ হোৱাৰ আগতে বিশেষ কাৰণত চৰকাৰ ভংগ হ'লে দেশত মধ্যকালীন নির্বাচন অনুষ্ঠিত হয়।



(ঘ) ৰাজ্যৰ বিধানসভাৰ কার্যকাল কিমান বছৰ?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ ৰাজ্যৰ বিধানসভাৰ কার্যকাল পাঁচ বছৰ।



(ঙ) দুটা ৰাষ্ট্ৰীয় দলৰ নাম উল্লেখ কৰা?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ দুটা ৰাষ্ট্ৰীয় দলৰ নাম হ'ল-

১) ভাৰতীয় জনতা পার্টী (বি জে পি)

২) ভাৰতীয় জাতীয় কংগ্রেছ।



(চ) অসমৰ উল্লেখযোগ্য আঞ্চলিক দল এটাৰ নাম লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ অসম গণ পৰিষদ (অ গ প)।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। উত্তৰ লিখা —

(ক) ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়াটো কেনেধৰণৰ? বৰ্ণনা কৰা।



উত্তৰঃ নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ কিছুমান বিশেষ প্ৰক্ৰিয়া আছে। ভাৰতবৰ্ষত বিভিন্ন নিৰ্বাচন পৰিচালনা কৰিবলৈ ৰাষ্ট্ৰপতিয়ে কেন্দ্ৰত এখন নিৰ্বাচনী আয়োগ গঠন কৰি দিয়ে। এই আয়োগত এজন মুখ্য নিৰ্বাচনী আয়ুক্ত আৰু দুজন নিৰ্বাচনী আয়ুক্ত থাকে। মুখ্য নিৰ্বাচনী আয়ুক্তজনক ৰাষ্ট্ৰপতিয়ে নিয়োগ কৰে। ঠিক তেনেদৰে ৰাজ্যসমূহতো একোখন ৰাজ্যিক নিৰ্বাচনী আয়োগ গঠন কৰা হয়। নিৰ্বাচনৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে এই আয়োগে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ লগত আলোচনা কৰি নিৰ্বাচনৰ তাৰিখ আৰু কাৰ্যসূচী প্ৰস্তুত কৰে। নিৰ্বাচনৰ বাবে মনোনয়নপত্ৰ দাখিলৰ তাৰিখ,

মনোনয়নপত্ৰ পৰীক্ষা আৰু প্ৰত্যাহাৰৰ তাৰিখ, নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ তাৰিখো আয়োগে নিৰ্ধাৰণ কৰে। নিৰ্বাচনী আয়োগৰ নীতি-নিদেৰ্শনাসমূহ কঠোৰ। নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ঠাইত নিৰ্দিষ্ট সময়ৰ বাবে আয়োগে কেতবোৰ নিৰ্বাচনী আচৰণবিধি বলৱৎ কৰে যাতে মুক্ত আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰিব পাৰি। বিধি উলংঘাকাৰীৰ ওপৰত আয়োগে বিহিত ব্যৱস্থা ল'ব পাৰে। নিৰ্বাচনী আয়োগে নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছত ৰাজনৈতিক দলসমূহে তেওঁলোকৰ নিজ দলৰ প্ৰাৰ্থীক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ মনোনীত কৰে।

(খ) গণতন্ত্ৰত ৰাজনৈতিক দলৰ কাৰ্যাৱলীসমূহ কি কি?



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ গণতন্ত্ৰত ৰাজনৈতিক দলসমূহ দুই ধৰণৰ। এক শাসক দল যিয়ে দেশৰ শাসন কার্য পৰিচালনা কৰে আৰু আনটো বিৰোধী যিয়ে চৰকাৰী কামকাজৰ খুটি-নাটি দাঙি ধৰাৰ লগতে চৰকাৰক গঠনমূলক পৰামর্শ প্রদান কৰে। নির্বাচনৰ দিন ঘোষণা কৰাৰ পাছত ৰাজনৈতিক দলসমূহে তেওঁলোকৰ নিজ দলৰ প্রার্থীক নির্বাচনত প্রতিদ্বন্দ্বিতা কৰিবলৈ মনোনীত কৰে। ৰাজনৈতিক দলসমূহে নিজ দলৰ হৈ প্রতিদ্বন্দ্বিতা কৰিবলগীয়া নেতাজনক লগত লৈ নিজ নিজ সমষ্টিত ৰাজহুৱা সভা অনুষ্ঠিত কৰি দলৰ লক্ষ্য, উদ্দেশ্য, ভৱিষ্যতৰ কর্মপন্থা ৰাইজৰ আগত দাঙি ধৰে।

তদুপৰি নিৰ্বাচনী প্ৰচাৰ অভিযানৰ বাবে দলৰ কৰ্মীসকলে ভোটাৰসকলৰ ঘৰে ঘৰে গৈ নিজৰ প্ৰাৰ্থীজনক ভোট দিবলৈ অনুৰোধ জনায়। ভোটৰ তালিকাত পৰিয়ালৰ প্ৰাপ্তবয়স্কসকলৰ নাম আছে নে নাই তাক নিশ্চিত কৰে। নিজ দলে ভৱিষ্যতে কৰিবলগীয়া কৰ্মৰাজি ইস্তাহাৰ হিচাপে প্ৰকাশ কৰি ৰাইজৰ মাজত বিতৰণ কৰে। কিছুমান দলীয় সমৰ্থকে দলৰ প্ৰতীক, বেনাৰ আৰু প্ৰাৰ্থীক লৈ চাইকেল, মটৰচাইকেল আদিৰ সমদল উলিয়াই নিৰ্বাচনী সভা অনুষ্ঠিত কৰে।

(গ) গণতন্ত্রত বিৰোধী দলে কেনেকৈ চৰকাৰক নিয়ন্ত্রণ কৰে?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ গণতন্ত্ৰত বিৰোধী দলে তলত দিয়া ধৰণেৰে চৰকাৰক নিয়ন্ত্ৰণ কৰে-

(i) ৰাজনৈতিক সচেতনতা জগাই তুলি মুক্ত আৰু প্ৰতিযোগিতামূলক নিৰ্বাচন অনুষ্ঠিত কৰাত সহায় কৰে।

(ii) চৰকাৰে যদি জনকল্যাণমূলক আঁচনি কাৰ্যকৰী নকৰে তেন্তে বিৰোধী দলে তাৰ সমালোচনা কৰি আঁচনিসমূহ কাৰ্যকৰণৰ বাবে সুস্থ জনমত গঠন কৰে।

(iii) আইন প্ৰণয়নৰ ক্ষেত্ৰত গঠনমূলক পৰামৰ্শ আগবঢ়ায়।

(iv) প্ৰয়োজন সাপেক্ষে দোষ-ত্ৰুটি আঙুলিয়াই দিয়ে।

(v) সদনৰ অধ্যক্ষৰ জৰিয়তে বিভাগীয় মন্ত্ৰীসকলৰ পৰা বিৰোধী দলে কামৰ খতিয়ান বিচাৰে।

(ঘ) গণতন্ত্রত নির্বাচনৰ প্রয়োজনীয়তা আছে নে? যুক্তি দর্শোৱা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ নিৰ্বাচন গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ এটা অন্যতম দিশ। এখন গণতান্ত্ৰিক চৰকাৰ গঠন কৰিবৰ বাবে নিৰ্বাচন অপৰিহাৰ্য।

(i) নিৰ্বাচন জনসাধাৰণৰ মত প্ৰকাশৰ এক গুৰুত্বপূৰ্ণ মাধ্যম।

(ii) নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে অনুষ্ঠিত নিৰ্বাচনৰ জৰিয়তে জনসাধাৰণে চৰকাৰক নিজৰ নিয়ণন্ত্ৰণত ৰাখিব পাৰে, অন্যথা শাসকীয় দল স্বেচ্চাচাৰী হ'ব।

(iii) নিৰ্বাচনে জনগণৰ ৰাজনৈতিক সচেতনতা বৃদ্ধি কৰে।

(iv) নিৰ্বাচনৰ জৰিয়তে নাগৰিকে দেশৰ ৰাজনৈতিক প্ৰক্ৰিয়াত অংশ গ্ৰহণ কৰিবলৈ সুবিধা পায়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। শুদ্ধ উত্তৰটো বাছি উলিওৱা —

(ক) ভাৰতৰ উপৰাষ্ট্ৰপতি প্ৰত্যক্ষ/পৰোক্ষভাৱে নিৰ্বাচিত হয়।

(খ) লোকসভাৰ সদস্য সংখ্যা ৫৪৫/১২৬ জন।

(গ) তেলেগু দেশম পার্টী এটা আঞ্চলিক/ৰাষ্ট্ৰীয় দল।

(ঘ) মুখ্যমন্ত্রীক ৰাজ্যপাল/ৰাষ্ট্রপতিয়ে নিযুক্তি দিয়ে।

(ঙ) বিধানসভাৰ কার্যকাল ৭/৫ বছৰ।

৪। চমুটোকা লিখা —

(ক) সার্বজনীন প্রাপ্তবয়স্ক ভোটাধিকাৰ —



উত্তৰঃ সার্বজনীন প্রাপ্ত বয়স্ক ভোটাধিকাৰ ব্যৱস্থাত এটা নির্দিষ্ট বয়সৰ ওপৰত দেশৰ সকলো নাগৰিকে ভোটাধিকাৰ পায়। এই ক্ষেত্রত ভাষা, ধর্ম, জাতি, লিংগ, ধনী-দুখীয়া আদি বৈষম্য অনা নহয়। ভাৰতবর্ষত ১৮ বছৰ বয়সৰ ওপৰত সকলো নাগৰিকে ভোটদান কৰিব পাৰে।

(খ) নির্বাচনী আয়োগ —



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ ভাৰতবৰ্ষত বিভিন্ন নিৰ্বাচন পৰিচালনা কৰিবলৈ ৰাষ্ট্ৰপতিয়ে কেন্দ্ৰত এখন নিৰ্বাচনী আয়োগ গঠন কৰি দিয়ে। এই আয়োগত এজন মুখ্য নিৰ্বাচনী আয়ুক্ত আৰু দুজন নিৰ্বাচনী আয়ুক্ত থাকে। মুখ্য নিৰ্বাচনী আয়ুক্তজনক ৰাষ্ট্ৰপতিয়ে নিয়োগ কৰে। ঠিক তেনেদৰে ৰাজ্যসমূহতো একোখন ৰাজ্যিক নিৰ্বাচনী আয়োগ গঠন কৰা হয়। নিৰ্বাচনৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে এই আয়োগে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ লগত আলোচনা কৰি নিৰ্বাচনৰ তাৰিখ আৰু কাৰ্যসূচী প্ৰস্তুত কৰে। নিৰ্বাচনৰ বাবে মনোনয়নপত্ৰ দাখিলৰ তাৰিখ, মনোনয়নপত্ৰ পৰীক্ষা আৰু প্ৰত্যাহাৰৰ তাৰিখ, নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ তাৰিখো আয়োগে নিৰ্ধাৰণ কৰে।


(গ) ৰাজনৈতিক দল —



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ ৰাজনৈতিক দল হৈছে উমৈহতীয়া ভাৱধাৰাৰ দ্বাৰা সংগঠিত কিছু ব্যক্তিৰ গোট যিয়ে নিৰ্বাচনত অংশ গ্ৰহণ কৰি ক্ষমতা দখলৰ চেষ্টা চলায়। গণতন্ত্ৰত ৰাজনৈতিক দলসমূহে দুই ধৰণৰ এক শাসক দল যিয়ে দেশৰ শাসন কাৰ্য পৰিচালনা কৰে আৰু আনটো বিৰোধী দল যিয়ে চৰকাৰী কামকাজৰ খুটি-নাটি দাঙি ধৰাৰ লগতে চৰকাৰক গঠনমূলক পৰামৰ্শ প্ৰদান কৰে।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। প্ৰকল্প —

শিক্ষক/অভিভাৱকৰ সহায় লৈ ২০১৬ চনৰ অসম ৰাজ্যিক বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা ৰাজনৈতিক দলসমূহৰ কোনে কিমান আসন লাভ কৰিলে উল্লেখ কৰি এখন তালিকা প্ৰস্তুত কৰা। উক্ত তালিকাৰ ভিত্তিত কোনটো দলে চৰকাৰ গঠন কৰিবপৰা যোগ্যতা অৰ্জন কৰিলে নিৰ্ণয় কৰা।